**2020**

( Held in April–May, 2021 )

ASSAMESE

( Honours )

Paper : ASM–HC–1026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। **এটা** বা **দুটা** শব্দত উত্তৰ দিয়া : ১×১০=১০

(ক) কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যই কোনগৰাকী ধৰ্মপ্ৰচাৰকৰ শৰণ লৈছিল ?

(খ) শংকৰদেৱৰ 'কীৰ্তন' পুথি কোনে সংকলন কৰিছিল ?

(গ) সুকুমাৰ বৰকাথৰ অমৰ সাহিত্য-কৃতি কোনখন ?

(ঘ) ৰঘুনাথ মহন্তৰ যি কোনো এটি সাহিত্য-কৃতিৰ নাম উল্লেখ কৰা।

(ঙ) 'দৰং ৰাজবংশাৱলী'ৰ ৰচক কোন ?

(চ) 'অৰুণোদই' কাকত কিমান চনলৈ চলিছিল ?





(ছ) বিশ্বেশ্বৰ বৈদ্যাধিপ কোন শতিকাৰ লোক ?

(জ) অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকনে কোনগৰাকী ইংৰাজ বিষয়াক লগ ধৰিছিল ?

(ঝ) নাথান ব্ৰাউন কোন চনত অসমলৈ আহিছিল ?

(ঞ) হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি আছিল ?

২। **দুটা** বা **তিনিটা** বাক্যত উত্তৰ দিয়া : ২×৫=১০

(ক) ভট্টদেৱৰ 'কথা-ভাগৱত'ৰ দুটা ভাষাগত বৈশিষ্ট্য উল্লেখ কৰা।

(খ) গদ্যত ৰচিত দুখন চৰিত-পুথিৰ নাম লিখা।

(গ) গুণাভিৰাম বৰুৱাৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ' সন্দৰ্ভত এটা টোকা লিখা।

(ঘ) 'অৰুণোদই' যুগৰ যি কোনো দুখন অধুনালুপ্ত আলোচনীৰ নাম উল্লেখ কৰা।

(ঙ) 'অৰুণোদই' যুগৰ দুগৰাকী খৃষ্টানধৰ্মী লেখকৰ নাম উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) চৰিত-সাহিত্য

(খ) বুৰঞ্জী সাহিত্যৰ শ্ৰেণীবিভাজন

(গ) মণিৰাম দেৱানৰ সাহিত্যকৃতি

(ঘ) কাশীনাথ তামুলীফুকন

(ঙ) অসমীয়া ভাষাৰ বিকাশলৈ নাথান ব্ৰাউনৰ অৰিহণা

(চ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১০×৪=৪০

(ক) উত্তৰ-শংকৰী যুগৰ ঐতিহাসিক পটভূমিয়ে সাহিত্য সৃষ্টিত কিদৰে প্ৰভাৱ পেলাইছিল, আলোচনা কৰা।

(খ) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ গতি-প্ৰকৃতি সম্বন্ধে এটা প্ৰবন্ধ প্ৰস্তুত কৰা।

(গ) চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ ভাষাগত পাৰ্থক্য প্ৰদৰ্শন কৰা।

(ঘ) উত্তৰ-শংকৰী যুগৰ ব্যৱহাৰিক সাহিত্য সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঙ) 'অৰুণোদই' কাকতে অসমীয়া ভাষাৰ বিকাশলৈ কিদৰে বৰঙণি যোগাইছিল, দেখুওৱা।

(চ) বিষয়বস্তু-ৰচনাৰীতিৰ ক্ষেত্ৰত অৰুণোদই যুগৰ সাহিত্য কিদৰে উত্তৰ-শংকৰী যুগৰ সাহিত্যতকৈ পৃথক হৈ পৰিছিল? আলোচনা কৰা।

(ছ) আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্য-দৃষ্টিক ইংৰাজী শিক্ষাই কিদৰে প্ৰভাৱিত কৰিছিল, দেখুওৱা।

(জ) কাশীনাথ তামুলীফুকনৰ বুৰঞ্জী সন্দৰ্ভত এটা প্ৰবন্ধ লিখা।

★★★